আজিৰ কাকত আজিয়েই
অষ্টম বৰ্ষপূৰ্তিত
News Next Oneৰ
বিশেষ সংযোজন
অনলাইন দৈনিক

www.newsnextone.com
e সংবাদ

তাৰিখ ২৮ ডিচেম্বৰ ২০২৩

THURSDAY, DECEMBER 28, 2023>> 10 PM www.newsnextone.comৰ অনলাইন নৈশ দৈনিক ।।প্ৰথম বছৰ, তৃতীয় সংখ্যা Guwahati, Assam ।। মূল্যঃ এটকা

# আলফাৰ চুক্তিত স্থান নাপালে মুখ্য দাবীয়ে! দিল্লীত হতাশ চেতিয়া



ফটোঃ ডিচেম্বৰৰ বানত এইদৰে বুৰ গৈছে থাইলেণ্ডৰ নৰথিৱাট চহৰ, ভয়াৱহ বানত দেশখনত এই পৰ্যন্ত নিহত হৈছে ৬ জনকৈ লোক

## গুৰুত্ব নাপালে সমষ্টি সংৰক্ষণে

**ষ্টাফ ৰিপ'ৰ্টাৰ, ২৮ ডিচেম্বৰঃ** আলফাক দুভাগ কৰি মূলসুঁতিলৈ অহা গোটটোৱে কাইলৈ অৰ্থাৎ ২৯ ডিচেম্বৰত কেন্দ্ৰীয় চৰকাৰৰ সৈতে ঐতিহাসিক চুক্তি স্বাক্ষৰ কৰিব। বহু প্ৰতীক্ষাৰ অন্তত স্বাক্ষৰ হ'বলগীয়া এই চুক্তিত অসমৰ সজাগ জনগণে দৃষ্টি ৰাখিছে। বিশেষকৈ ৪৪ বছৰীয়া সশস্ত্ৰ সংগ্ৰাম কৰা আলফাৰ আলোচনাপন্থী গোটটোৱে কি কি দাবী সন্নিৱিষ্ট কৰি চুক্তি সম্পন্ন কৰিব তালৈ লক্ষ্য ৰাখিছে সচেতন ৰাইজে। এই চুক্তি সফল হ'ব নে ব্যৰ্থ হ'ব সেই কথা নিৰ্ভৰ কৰিব চুক্তিত উল্লেখ থকা বিষয়সমূহত। কিন্তু এই চুক্তিত সন্নিৱিষ্ট দাবীক লৈ নিৰাশ বৰ্তমানেও নতুন দিল্লীত বাহৰ পাতি থকা আলফাৰ প্ৰতিষ্ঠাকালৰ নেতা তথা সাধাৰণ সম্পাদক অনুপ চেতিয়া।

■ শেষাংশ ২নং পৃষ্ঠাত

# গেছৰ পাইপ বিস্ফোৰণ, মহানগৰীত যুৱতীসহ ৩ জন আহত

### ৩খনকৈ বাহনো ক্ষতিগ্ৰস্ত, ৰৱবাৰীত আতংক

**ষ্টাফ ৰিপ'ৰ্টাৰ, ২৮ ডিচেম্বৰঃ** হিমন্ত বিশ্ব শৰ্মাৰ চৰকাৰৰ দিনত গুৱাহাটীৰ ৰাজপথত এতিয়া পাইপ ফুটাৰ 'সন্ত্ৰাস' চলিছে। পাইপ ফুটা কাণ্ডৰ বাবে মানুহে ঘৰৰ পৰা ওলাবলৈ ভয় কৰিবলৈ বাধ্য হৈছে! কিয়নো গুৱাহাটীত পাইপ ফুটিয়েই থকা হৈছে।

■ শেষাংশ ২নং পৃষ্ঠাত



প্ৰথম পৃষ্ঠাৰ পৰা...

# পাইপ ফুটি আহত

পাইপ ফুটি অঘটন সংঘটিত হোৱাটো এতিয়া নিত্যনৈমত্তিক আৰু সাধাৰণ ঘটনাত পৰিণত হৈছে৷ আজি গুৱাহাটীৰ বৰবাৰীত গেছৰ পাইপ বিস্ফোৰণ হোৱাত হাহাকাৰ লাগে৷ বৰবাৰীৰ মুখ্য পথত গেছৰ পাইপ বিস্ফোৰণত এগৰাকী যুৱতীসহ দুই যুৱক গুৰুতৰভাবে আঘাতপ্ৰাপ্ত হৈছে৷ যুৱতীগৰাকী ৰীণা টাইড আৰু দুই যুৱক ৰাজু কলিতা, দেৱজিত শৰ্মা বুলি জানিব পৰা গৈছে৷ যুৱতীগৰাকীৰ আঘাত গুৰুত্বপূৰ্ণ হোৱাত গুৱাহাটীত চিকিৎসা মহাবিদ্যালয়ত ভৰ্তি কৰোৱা হৈছে। সমানে এখন চুইফ্ট, এখন অটো আৰু আন এখন বাহন ক্ষতিগ্ৰস্ত হৈছে৷ এএছ-০১-ডিৱাই-৩৯৫০ নম্বৰৰ চুইফ্ট আৰু এএছ-০১-কেচি-১৩৪০ নম্বৰৰ অটোসহ তিনিখন বাহন ক্ষতিগ্ৰস্ত হৈছে৷ এই ঘটনাই বৰবাৰীবাসীক শংকিত কৰিছে৷ পাইপ বহুওৱাৰ বাবে শ্ৰমিকে কাম কৰি থকাৰ সময়তে গেছৰ পাইপ বিস্ফোৰণ ঘটে৷ উল্লেখ্য যে, গুৱাহাটীবাসীক পানী যোগান ধৰাৰ প্ৰতিশ্ৰুতি দি ৰাজ্যত দুবাৰকৈ চৰকাৰ গঠন কৰা বিজেপি দল আৰু চৰকাৰে পানী যোগানৰ বাবে ৰূপায়ন কৰা আঁচনিৰ পাইপ ফুটি ভয়াবহ কাণ্ড সংঘটিত হৈ আহিছে৷ পানীৰ খুন্দাত মানুহৰ প্ৰাণ গৈছে৷ ঘৰ-বৰ, পথ অনিষ্ট হৈছে৷ কিন্তু সকলো দেখি-শুনি নাচোৰবান্দা হিমন্ত বিশ্ব শৰ্মাৰ চৰকাৰে৷ চকু মুদি চৰকাৰে সকলো চাই গৈছে৷ গেমন-জাইকাৰ উদ্ধতালী বন্ধ কৰিব নোৱাৰাত পাইপ ফুটি জলবিস্ফোৰণ হোৱাত নাগৰিকৰ জীৱন-সম্পত্তি হানি হৈ আহিছে৷ চলিত বৰ্ষৰ ২৫ মে’ত প্ৰায় ৩ মান বজাত গুৱাহাটীৰ খাৰঘূলিত ভয়ংকৰ পৰিস্থিতিৰ সৃষ্টি হয়। পানীৰ পাইপ ফাটি মুহূৰ্ততে প্ৰলয়ৰ সৃষ্টি কৰিছিল৷ প্ৰায় ২৩-২৪ মিটাৰ ওপৰলৈ উঠা পানীৰ ফোৰাৰাৰ তীব্ৰ সোঁতে উটুৱাই নিয়ে অঞ্চলটোৰ কেইবাটাও ঘৰ। নিমিষতে পানীৰ প্ৰচণ্ড ঢৌৱে খাৰঘূলিৰ জয়পুৰ এলেকাৰ বিস্তৰ ক্ষতি সাধন কৰে। পানীৰ প্ৰচণ্ড সোঁতত উটি যায় কেইবাগৰাকী লোক৷ ইয়াৰে সুমিত্ৰা ৰাভা নামৰ মহিলাৰ মৃত্যু হয়৷ গুৰুতৰভাবে আহত হয় এটি ৮ বছৰীয়া শিশু৷ মুঠ ৩০ গৰাকী লোক এই জলপ্ৰলয়ত আহত হয়। মুঠ ৪০টা পৰিয়ালৰ ঘৰ-দুৱাৰ, গাড়ী, বাইক অনিষ্ট হয়৷ স্থানীয় জয়পুৰ এল.পি স্কুলত আশ্ৰয় শিবিৰ পাতি থাকিবলৈ বাধ্য হয় প্ৰায় ১৬টা পৰিয়াল৷ জলবিস্ফোৰণত তচনচ হৈ পিছিল খাৰঘূলিৰ জয়পুৰ। চৰকাৰে ঘটনাৰ তদন্ত ঘোষণা কৰিছিল যদিও সকলো ফুটুকাৰ ফেন হৈ পৰে৷ নিহতৰ পৰিয়ালক ২ লাখ আৰু আহতৰ পৰিয়ালক ১০ হাজাৰকৈ টকা দি দায়িত্ব সামৰে প্ৰশাসনে৷ গুৱাহাটীৰ খাৰঘূলিত প্ৰথমটো পাইপ বিস্ফোৰণ কাণ্ড সংঘটিত হৈছিল৷ এই কাণ্ড নিতৌ সংঘটিত হ’ব ধৰিছে৷ আজি গেছৰ পাইপ ফুটিল বৰবাৰীত৷ গুৱাহাটীত পাইপ মানেই এতিয়া আতংক৷ ক’ত, কেতিয়া পাইপ ফুটি মানুহৰ জীৱন-সম্পত্তি ধ্বংস হ’ব সেয়া গৰাণ্টী নোহোৱা হৈছে

প্ৰথম পৃষ্ঠাৰ পৰা...

# আলফাৰ চুক্তিত স্থান

কিন্তু এই চুক্তিত সন্নিৱিষ্ট দাবীক লৈ নিৰাশ বৰ্তমানেও নতুন দিল্লীত বাহৰ পাতি থকা আলফাৰ প্ৰতিষ্ঠাকালৰ নেতা তথা সাধাৰণ সম্পাদক অনুপ চেতিয়া৷ কেন্দ্ৰীয় চৰকাৰৰ সৈতে সম্পন্ন হ’বলগীয়া এই চুক্তি একপ্ৰকাৰ ব্যৰ্থ হোৱা বুলি কোৱাৰ থল আছে! কিয়নো দিল্লীত বাহৰ পাতি থকা আলফাৰ আলোচনাপন্থী গোটটোৱে চুক্তিত সন্নিৱিষ্ট কৰিবলগীয়া অন্যতম দাবীসমূহক লৈ কেইবালানি আলোচনা কৰিছে যদিও আলফাৰ মূল দাবীক চৰকাৰে তিলমানো গুৰুত্ব দিয়া নাই৷ ২৭ ডিচেম্বৰৰ নিশাৰ পৰা নতুন দিল্লীত কেন্দ্ৰীয় চৰকাৰৰ প্ৰতিনিধিৰ সৈতে আলফা নেতৃত্বই বাৰাম্বাৰ খিলঞ্জীয়াৰ জাতি জনগোষ্ঠীৰ স্বাৰ্থত কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰস্তাৱ উত্থাপন কৰি আহিছে৷ স্বাধীনতাৰ দাবী পৰিহাৰ কৰি আলফাই সম্প্ৰতি খিলঞ্জীয়া লোকৰ বাবে সমষ্টি সংৰক্ষণৰ নতুন দাবী উত্থাপন কৰিছে৷ কিন্তু আলফাৰ এই দাবীক পোনছাটেই নস্যাৎ কৰিছে কেন্দ্ৰীয় চৰকাৰে৷ আলফাৰ এক শীৰ্ষ সূত্ৰই News Next Oneক জনোৱা মতে, আসন সংৰক্ষণৰ দাবীক চুক্তিত স্থান দিয়া হোৱা নাই৷ আলফাই অসমীয়া জাতিৰ কৃষ্টি-সংস্কৃতিৰ সুৰক্ষা, ভূমি সংৰক্ষণ, আসন সংৰক্ষণৰ দাবী উত্থাপন কৰিছে৷ কিন্তু আলফাই মুখ্য দাবী ৰূপে উত্থাপন কৰা দাবীটোকে অগ্ৰাহ্য কৰিলে কেন্দ্ৰীয় চৰকাৰে৷ আলফাই মুখ্যত অসমৰ থলগিৰিৰ বাবে লোকসভা, বিধানসভাৰ আসন সংৰক্ষণৰ দাবী উত্থাপন কৰিছিল৷ চুক্তিত এই দাবীটোক সন্নিৱিষ্ট কৰাত আলফাৰ নেতৃত্বই জোৰ দিছিল যদিও আলফাৰ আলোচনাপন্থী গোটৰ এই দাবীক পোনছাটে নস্যাৎ কৰে বুলি জানিব পৰা গৈছে। কেন্দ্ৰৰ এনে স্থিতিত এতিয়া একপ্ৰকাৰ নিৰাশ হৈ পৰিছে আলফাৰ প্ৰতিষ্ঠাকালৰ নেতা তথা সাধাৰণ সম্পাদক অনুপ চেতিয়া। অনুপ চেতিয়াই উল্লেখ কৰা মতে, অসমৰ খিলঞ্জীয়াৰ বাবে ৮৮ শতাংশ আসন সংৰক্ষণ কৰাৰ দাবী উত্থাপন কৰা হৈছিল৷ কিন্তু এই দাবীক কেন্দ্ৰীয় চৰকাৰে মানি নল’লে৷ কেন্দ্ৰীয় চৰকাৰে এই দাবীক পোনছাটেই নস্যাৎ কৰা সত্বেও অৱশ্যে শেষ মুহূৰ্তলৈকে আশা পুহি ৰাখিছে আলফা নেতৃত্বই৷ উল্লেখ্য যে, এই চুক্তিত স্বাক্ষৰ কৰিবলৈ আলোচনাপন্থী গোটটোৰ নেতাসকলে অৰবিন্দ ৰাজখোৱাৰ নেতৃত্বত ২৭ ডিচেম্বৰত গুৱাহাটীৰ পৰা নতুন দিল্লীলৈ উৰা মাৰিছিল৷ অসমৰ বিভিন্ন দল-সংগঠনেও আলফা চৰকাৰৰ এই চুক্তিক গুৰুত্বসহকাৰে গ্ৰহণ কৰাৰ লগতে ৰাজ্যখনৰ শান্তিৰ স্বাৰ্থত পৰেশ পৰুৱাৰ লগতো আলোচনাৰ পোষকতা কৰি আহিছে৷ একাংশ দল-সংগঠনৰ আশংকা এয়াই যে আলফা স্বাধীনক আলোচনালৈ আনিব নোৱাৰাকৈ কেৱল আলোচনাপন্থী আলফা নেতৃত্বৰ সৈতে আলোচনা কৰিলেই অসম তথা উত্তৰ-পূবৰ সন্ত্ৰাসবাদী সমস্যা সমাধান হোৱাৰ সম্ভাৱনা তেনেই ক্ষীণ।

# ৰাহুলৰ পিছত এইবাৰ মোদী চৰকাৰৰ ৰাডাৰত প্ৰিয়ংকা গান্ধী

## ৰাজনৈতিক উদ্দেশ্যপ্ৰণোদিত আখ্যা কংগ্ৰেছৰ

**নতুন দিল্লী, ২৮ ডিচেম্বৰঃ** এইবাৰ নৰেন্দ্ৰ মোদী চৰকাৰৰ ৰাডাৰত গান্ধী পৰিয়ালৰ আন এগৰাকী সদস্য প্ৰিয়ংকা গান্ধী৷ লোকসভা নিৰ্বাচনৰ দিন চমু চাপি অহাৰ সময়তে এইবাৰ দেশৰ প্ৰধান বিৰোধী দল কংগ্ৰেছৰ শীৰ্ষ নেত্ৰী ছোনীয়া গান্ধী তনয় প্ৰিয়ংকা গান্ধীক লক্ষ্য কৰা লোৱা হৈছে৷ কংগ্ৰেছৰ দলৰ অন্যতম জনপ্ৰিয় চেহেৰা প্ৰিয়ংকা গান্ধীক ইডি-চিবিআই লগাই ভয়-ভাবুকি দেখুওৱাৰ অভিযোগ উত্থাপন হৈছে৷ আৰ্থিক প্ৰতাৰণাৰ গোচৰত ইডি-এ তৈয়াৰ কৰা চাৰ্জশ্বিটত প্ৰিয়ংকা গান্ধীৰ নাম সন্নিৱিষ্ট কৰা হৈছে। প্ৰিয়ংকা গান্ধীৰ লগতে চাৰ্জশ্বিটত স্বামী ৰবাৰ্ট ভাদ্ৰাৰো নাম সন্নিৱিষ্ট কৰা হৈছে। হাৰিয়ানাত পাঁচ একৰ ভূমি ক্ৰয়-বিক্ৰীৰ অভিযোগত কংগ্ৰেছ নেত্ৰী প্ৰিয়ংকা গান্ধী ভাদ্ৰাৰ নাম প্ৰথমবাৰৰ বাবে প্ৰৱৰ্তন সঞ্চালকালয়ৰ চাৰ্জশ্বিটত উল্লেখ কৰা হৈছে। স্বামী ব্যৱসায়ী ৰবাৰ্ট ভদ্ৰাৰ নামো চাৰ্জশ্বিটত উল্লেখ কৰা হৈছে৷ কিন্তু দুয়োৰে নাম ‘অভিযুক্ত’ হিচাপে অন্তৰ্ভুক্ত কৰা নাই বুলি জানিব পৰা গৈছে। মূলত প্ৰৱাসী ব্যৱসায়ী চি.চি থাম্পি আৰু ভাৰতীয় মূলৰ ব্ৰিটিছ নাগৰিক সুমিত চাধাৰ বিৰুদ্ধে চাৰ্জশ্বিট দাখিল কৰা হৈছে। চি.চি থাম্পি আৰু সুমিত চাধাই পলাতক অস্ত্ৰ ব্যৱসায়ী সঞ্জয় ভাণ্ডাৰীক সহায় কৰিছিল৷ সঞ্জয় ভাণ্ডাৰীৰ বিৰুদ্ধে অফিচিয়েল চিক্ৰেটছ এক্ট উলংঘা আৰু উপাৰ্জনৰ উৎস লুকুৱাৰ অভিযোগো আছে। জানিব পৰা মতে, ২০০৫ আৰু ২০০৬ চনৰ ভিতৰত হাৰিয়ানাৰ অমিপুৰত পাহৱা নামৰ এজেণ্টৰ পৰা ৰবাৰ্ট ভদ্ৰাই ৪০.৮ একৰ মাটি ক্ৰয় কৰিছিল৷ এই ভূমি ২০১০ চনৰ ডিচেম্বৰত বিক্ৰী কৰা হৈছিল। ২০২০ চনত ৪৮৬ একৰ মাটিৰ বাবে একেই ভূমি ক্ৰয় বিক্ৰয়ৰ চুক্তি কৰিছিল চি.চি থাম্পীয়ে৷ ইডিয়ে ৰবাৰ্ট ভাদ্ৰাৰ নাম চাৰ্জশ্বিটত সন্নিৱিষ্ট কৰি যাক দাবী কৰে যে থাম্পিৰ সৈতে ঘনিষ্ঠ সম্পৰ্ক ৰবাৰ্ট ভাদ্ৰাৰ৷ দিল্লীৰ ৰিয়েল ইষ্টেট ফাৰ্মে হাৰিয়ানাত অবৈধভাৱে বৃহৎ পৰিমাণৰ ভূমি ক্ৰয় কৰাৰ অভিযোগ উত্থাপন হৈছিল৷ এই ভূমি ক্ৰয় কাণ্ডত প্ৰিয়ংকা গান্ধীৰ স্বামীৰ ৰবাৰ্ট ভদ্ৰা, উদ্যোগপতি সঞ্জয় ভাণ্ডাৰী আৰু প্ৰৱাসী ব্যৱসায়ী চি.চি থাম্পি জড়িত থকাৰ অভিযোগ উঠিছিল। উদ্যোগপতি সঞ্জয় ভাণ্ডাৰী আৰু চি.চি থাম্পিৰ সৈতে ৰবাৰ্ট আৰু প্ৰিয়ংকাৰ অতি ঘনিষ্ঠ সম্পৰ্ক। বিগত সময়ত এই বিষয়টোক লৈ বিজেপি দল ব্যাপক আক্ৰমণমূলক হৈ পৰা দেখা গৈছিল৷ উল্লখ্য যে ধনৰ বৃহৎ লেন-দেনৰ জৰিয়তে অবৈধভাৱে বৃহৎ পৰিমাণৰ ভূমি ক্ৰয় কৰাৰ অভিযোগ উঠিছিল প্ৰিয়ংকা গান্ধীৰ স্বামী ৰবাৰ্ট ভাদ্ৰাৰ বিৰুদ্ধে৷ ইফালে, প্ৰিয়ংকা গান্ধী ইডিৰ ৰাডাৰলৈ অহাত কংগ্ৰেছে ক্ষোভ জাহিৰ কৰিছে আৰু এয়া উদ্দশ্যে প্ৰণোদিত বুলি মন্তব্য কৰিছে। লোকসভা নিৰ্বাচনৰ পূৰ্বে প্ৰিয়ংকা গান্ধী তথা কংগ্ৰেছক ব্যতিব্যস্ত কৰাৰ বাবে বিজেপিয়ে চেষ্টা কৰিব বুলিও ৰাজনৈতিক বিশেষজ্ঞসকলে দাবী কৰিছে।



কেন্দ্ৰৰ সৈতে চুক্তিত স্বাক্ষৰ কৰিবলৈ দিল্লীত বাহৰ পাতি থকা আলোচনাপন্থী আলফাৰ শীৰ্ষ নেতাসকল

# ৰেচনৰ দোকানীক কাতৰ আহ্বান অসহায় যোগান মন্ত্ৰীৰ

## পুৱাই পাচলি তোলাত ব্যস্ত হৈ বিভাগলৈ দিছে পিঠি!

**ষ্টাফ ৰিপ'ৰ্টাৰ, ২৮ ডিচেম্বৰঃ** মূল্য বৃদ্ধি নিয়ন্ত্ৰণ কৰিব নোৱাৰা অসমৰ যোগান মন্ত্ৰী ৰঞ্জিৎ দাসৰ এতিয়া অসহায় অৱস্থা৷ পুৱাই সামাজিক মাধ্যমত শাক-পাচলি ছিগি থকাৰ ফটো দিয়া অসমৰ যোগান মন্ত্ৰী ৰণজিৎ দাসৰ বাবে অসমৰ দৰিদ্ৰ লোকে চাউল লাভৰ পৰা বঞ্চিত হোৱাৰ উপক্ৰম হৈছে৷ পুৱাই শাক-পাচলি ছিগি থকাৰ ফটো শ্বেয়াৰ কৰি অসমৰ ৰাইজক পুৱাৰ সম্ভাষণ জনোৱা ৰাজ্যৰ যোগান মন্ত্ৰী ৰঞ্জিৎ দাস অসমৰ সুলভ মূল্যৰ দোকানীসকলে উত্থাপন কৰি অহা দাবীক গুৰুত্ব প্ৰদান কৰা নাই৷ ফলত সংবাদমাধ্যমৰ কেমেৰাৰ সন্মুখত আজি অসহায়ভাবে কাতৰ আহ্বান জনাবলগীয়া হৈছে মন্ত্ৰী দাসে৷ অসহায় ৰঞ্জিৎ দাসে বাৰে বাৰে অসমৰ সমবায় সমিতিৰ অধীনৰ এজেণ্টসমূহক সামগ্ৰী যোগান ধৰি যাবলৈ আহ্বান জনায়৷ সদৌ অসম সুলভ মূল্য দোকানী সন্থাই ১ জানুৱাৰীৰ পৰা সুলভ মূল্যৰ সামগ্ৰী বিতৰণ নকৰাৰ সিদ্ধান্ত লৈছে৷ ৰাষ্ট্ৰীয় সুলভ মূল্য দোকানী সন্থাৰ আহ্বান মৰ্মে সদৌ অসম সুলভ মূল্য দোকানী সন্থাই এই আন্দোলন ঘোষণা কৰিছে৷ ইপিনে যোগান মন্ত্ৰী ৰঞ্জিৎ দাসে নৰেশ্বৰ মাহত অসমৰ সুলভ মূল্য দোকানী সন্থাৰ সৈতে আলোচনাত মিলিত হৈছিল৷ এই আন্দোলন ঘোষণাৰ পাছতে আজিও ৰণজিৎ দাসে সুলভ মূল্য দোকানী সন্থাৰ সৈতে আলোচনাত মিলিত হয়৷ আলোচনাৰ অন্তত অন্য ৰাজ্যৰ তুলনাত অসমৰ দোকানীসকলে কমিছন কম দিয়া হয় বুলি খোদ প্ৰকাশ কৰে ৰঞ্জিৎ দাসে৷ মন্ত্ৰী দাসে কয় যে অসমৰ দোকানীসকলে মুখ্যমন্ত্ৰীৰ জড়িয়তে কমিছন বা পাৰিতোষিক দিয়াৰ দাবী উত্থাপন কৰিছে৷ দুখীয়াৰ বাবে আবণ্টিত চাউল সন্মুখত ৰাখি এনে কাৰ্য গ্ৰহণ নকৰিবলৈ আৰু কাৰ্যসূচী পৰিহাৰ কৰি অন্য গণতান্ত্ৰিক কাৰ্যসূচী গ্ৰহণ কৰিবলৈ আহ্বান জনাইছে৷ বিহুৰ আগে আগে দুখীয়া মানুহখিনিয়ে চাউল নাপালে মনোকষ্ট পাব বুলিও কয় মন্ত্ৰী দাসে৷ ১ জানুৱাৰীৰ পৰা ৰেচন যোগান বন্ধ নকৰিবলৈ সুলভ মূল্যৰ দোকানীক বাৰে বাৰে আহ্বান জনাইছে মন্ত্ৰী ৰঞ্জিত দাসে। আলোচনাৰ অন্তত বিহুৰ প্ৰতি লক্ষ্য ৰাখি ৪ জানুৱাৰীত চাউল বিতৰণ নকৰাৰ সিদ্ধান্ত বাতিল কৰে সন্থাই৷ যদি দাবী মানি নলয় তেন্তে ফেব্ৰুৱাৰীৰ পৰা ৰেচন বিতৰণ বন্ধ ৰখাৰ ঘোষণা কৰে৷ উল্লেখ্য যে, অইন ৰাজ্যই কেন্দ্ৰীয় চৰকাৰে আৱণ্টন দিয়া ৰাজসাহায্যৰ লগতে সুলভ মূল্যৰ দোকানীক কমিছন দি আহিছে৷ অসমত ৩৮,৭৮৪ খন সুলভ মূল্যৰ দোকান আছে যদিও বৰ্ধিত কমিছন দিয়াৰ ব্যৱস্থা নাই৷ ফলত প্ৰতি কুইণ্টলত অতি কমেও ১৪৩ টকাকৈ কমিছন পাব লাগে যদিও অসমৰ দোকানীসকলে লাভ কৰে মাথো ১০০ টকা ১০ পইচাহে৷ চৰকাৰে সুলভ মূল্যৰ ব্যৱসায়ীসকলক প্ৰতাৰণা কৰি আহিছে৷ আনহাতে মধ্যভোগীয়ে বিলৰ নামতো ধন সংগ্ৰহ কৰাৰ অভিযোগ উত্থাপন কৰি আহিছে সুলভ মূল্যৰ দোকানীসকলে৷



নিজৰ ফেচবুক পেজত পোষ্ট কৰা ফটোত এনেদৰে পাচলি তোলাত ব্যস্ত হৈ থকা দেখা গৈছে যোগান মন্ত্ৰী ৰঞ্জিত দাসক

নগৰ-মহানগৰ

## নতুন বছৰত গুৱাহাটীত চলিব সেউজ বাছ!

**ষ্টাফ ৰিপ’ৰ্টাৰ, ২৮ ডিচেম্বৰঃ** নতুন বছৰৰ প্ৰথম দিনটোতে এক বিশেষ ভাল খবৰ লাভ কৰিব গুৱাহাটীবাসীয়ে। ২০২৪ চনৰ ১ জানুৱাৰীৰ পৰা মহানগৰীৰ ৰাজপথত চলিব সেউজীয়া বাছ। ক্ৰমাৎ বৃদ্ধি হোৱা বায়ু প্ৰদূষণৰ প্ৰতি লক্ষ্য ৰাখিয়েই নতুন বছৰৰ প্ৰথমটো দিনৰে পৰা ইলেকট্ৰিক বাছ চলাবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছে ৰাজ্য চৰকাৰে। প্ৰথম পৰ্যায়ত ১০০খন ইলেকট্ৰিক বাছেৰে সেউজীয়া চিটি বাছ সেৱা আৰম্ভ কৰা হ’ব। গুৱাহাটী স্মাৰ্ট চিটি লিমিটেডৰ বিত্তীয় সাহায্য আৰু অসম ৰাজ্যিক পৰিবহণ নিগমৰ দ্বাৰা পৰিচালিত হ’ব এইসমূহ বাছ। নৱবৰ্ষৰ প্ৰথম দিনটোত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ফ্লেগ অফ কৰি এই সেউজীয়া বাছ সেৱা মুকলি কৰিব। পৰৱৰ্তী সময়ত আৰু ১০০খন বাছ মহানগৰীৰ ৰাজপথত চলাচল কৰিব। ইলেক্ট্ৰিক বাছসমূহ চাৰ্জ কৰিবলৈ মহানগৰীৰ ভিন্ন স্থানত চাৰ্জিং ষ্টেচন স্থাপনৰো পৰিকল্পনা কৰিছে চৰকাৰে।

স্থানীয় খবৰ

## মৰিয়নীত মাতৃক হত্যা পুত্ৰৰ

**ই-সংবাদ, মৰিয়নী, ২৮ ডিচেম্বৰঃ** সভ্য সমাজক লজ্জানত কৰিলে কলংকিত পুত্ৰই৷ সাধাৰণ কথাতে কাজিয়াত লিপ্ত হৈ মাতৃৰ প্ৰাণ কাঢ়ি ল’লে কলংকিত পুত্ৰ নবীন বৰাই৷ কাজিয়াত লিপ্ত হৈ খণ্ডত অগ্নিশৰ্মা পুত্ৰই মাতৃৰ প্ৰাণ ল’লে যোৰহাট জিলাৰ মৰিয়নীৰ ভেলেউগুৰি কালিয়াগাঁৱত৷ ভেলেউগুৰি কালিয়াগাঁৱৰ নিৰু বৰাৰ সৈতে পুত্ৰ নবীন বৰাই প্ৰায়ে কাজিয়াত লিপ্ত হয়৷ ২৭ ডিচেম্বৰৰ নিশাও নিৰু বৰাৰ সৈতে তৰ্কা-তৰ্কিত লিপ্ত হয় পুত্ৰ নবীন বৰা৷ তৰ্কা-তৰ্কিত লিপ্ত হৈ থকাৰ সময়তে হাতত এডাল ৰদ লৈ মাতৃক উপৰ্য্যপৰি আক্ৰমণ কৰে৷ ৰডেৰে মৰিয়াই মৰিয়াই মাতৃ নিৰু বৰাক হত্যা জল্লাদৰূপী পুত্ৰ নবীনে। ঘটনাৰ খবৰ স্থানীয় আৰক্ষী দিয়াত ততাতৈয়াকৈ উপস্থিত হৈ দেৰেৰাপাৰ আৰক্ষীয়ে নবীন বৰাক গ্ৰেপ্তাৰ কৰে। নিজ সন্তানে মাতৃক হত্যা কৰাৰ ঘটনাই তীব্ৰ চাঞ্চল্যৰ সৃষ্টি সমগ্ৰ মৰিয়নীত।

বিশেষ খবৰ

## কাৰ্বি পাহাৰলৈ আহিব ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মু

**ই-সংবাদ, গুৱাহাটী, ২৮ ডিচেম্বৰঃ** কাৰ্বি পাহাৰলৈ আহিব ৰাষ্ট্ৰপতি দ্ৰোপদী মুৰ্মু অহা ১৭ জানুৱাৰীত কাৰ্বি যুৱ মহোৎসৱ-২০২৪ৰ সোণালী জয়ন্তীত মুখ্য অতিথি হিচাপে উপস্থিত থাকিবলৈ জিলাৰ সদৰ ডিফুলৈ আহিব ৰাষ্ট্ৰপতি দ্ৰোপদী মুৰ্মু৷ কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙে এই কথা জনাইছে৷ ডিফুৰ তৰালংচোত অনুষ্ঠিত হ’বলগীয়া কাৰ্বি যুৱ মহোৎসৱত অসমৰ ৰাজ্যপাল গোলাব চান্দ কাটাৰিয়া, মেঘালয়ৰ ৰাজ্যপাল ফাগু চৌহান, নাগালেণ্ডৰ ৰাজ্যপাল লা গণেশন, অসমৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা, নাগালেণ্ডৰ মুখ্যমন্ত্ৰী নেইফিউ ৰিঅ’ আৰু মেঘালয়ৰ মুখ্যমন্ত্ৰী কনৰাড কে চাংমা উপস্থিত থাকিব। এই লৈ কাৰ্বি পাহাৰৰ বুদ্ধিজীৱী, সচেতন নাগৰিক, ছাত্ৰ নেতা, সমাজকৰ্মীৰ লগতে স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী, বিভিন্ন কাৰ্যবাহী আৰু জিএমসকলে তৎপৰতাৰে কাম কাজ কৰি গৈছে৷

# ভাৰতীয় নৌসেনাৰ ৮ প্ৰাক্তন বিষয়ালৈ কাটাৰৰ আদালতৰ সকাহ

## অৱশেষত স্থগিত ৰাখিলে মৃত্যুদণ্ডৰ শাস্তি

**নতুন দিল্লীঃ** কাটাৰত চোৰাংচোৱাগিৰিৰ অভিযোগত মৃত্যুদণ্ডৰ শাস্তি লাভ কৰা নৌসেনাৰ প্ৰাক্তন ৮গৰাকী জোৱানে লাভ কৰিছে বৃহৎ সকাহ। আদালতে স্থগিত ৰাখিছে তেওঁলোকৰ মৃত্যুদণ্ডৰ শাস্তি। মৃত্যুদণ্ডৰ বিৰুদ্ধে ভাৰতে আপীল দাখিল কৰিছিল। উল্লেখ্য যে, ২৬ অক্টোবৰত কাটাৰৰ আদালতে নৌসেনাৰ প্ৰাক্তন ৮গৰাকী বিষয়াক মৃত্যুদণ্ডৰ শাস্তি প্ৰদান কৰিছিল। কাটাৰত মৃত্যুদণ্ডৰ শাস্তি লাভ কৰা ৮ প্ৰাক্তন নৌসেনাৰ বিষয়াৰ নাম হ'ল- কেপ্তেইন নৱতেজ সিং গিল, কেপ্তেইন সৌৰভ বশিষ্ঠ, কেপ্তেইন বীৰেন্দ্ৰ কুমাৰ বাৰ্মা, কমাণ্ডাৰ পূৰ্ণেন্দু তিৱাৰী, কমাণ্ডাৰ সুগনাকৰ পাকলা, কমাণ্ডাৰ সঞ্জীৱ গুপ্তা, কমাণ্ডাৰ অমিত নাগপাল আৰু নাৱিক ৰাগেশ। আটাইকেইজনেই কাটাৰৰ ডাহৰা গ্ল’বেল টেকন’লজিছ এণ্ড কনছালটেন্সি নামৰ এটা ব্যক্তিগত কোম্পানীত কৰ্মৰত আছিল। ভাৰতীয় নৌ সেনাৰ প্ৰাক্তন বিষয়াকেইগৰাকীয়ে কাম কৰা আৰু প্ৰতিৰক্ষা সেৱা আগবঢ়োৱা কোম্পানীটোৰ মুৰব্বী হৈছে ওমান বায়ুসেনাৰ অৱসৰপ্ৰাপ্ত স্কোয়াড্ৰন নেতা খামিছ আল আজামি ইয়াৰ মুৰব্বী। চোৰাংচোৱাৰ অভিযোগত ৮ ভাৰতীয় নাগৰিকৰ লগতে তেওঁকো গ্ৰেপ্তাৰ কৰা হৈছিল যদিও পিছত নৱেম্বৰ মাহত মুকলি কৰি দিয়া হয়। কাটাৰৰ চোৰাংচোৱা সংস্থাৰ ৰাজ্যিক নিৰাপত্তা ব্যুৰোৱে ২০২২ চনৰ ৩০ আগষ্টত ভাৰতীয় নৌসেনাৰ ৮ গৰাকী প্ৰাক্তন বিষয়াক গ্ৰেপ্তাৰ কৰিছিল। অৱশ্যে ছেপ্টেম্বৰৰ মাজভাগত তেওঁলোকৰ গ্ৰেপ্তাৰৰ বিষয়ে ভাৰতীয় দূতাবাসক প্ৰথম অৱগত কৰা হৈছিল। পৰৱৰ্তী সময়ত ৩০ ছেপ্টেম্বৰত এই ভাৰতীয়সকলক কিছু সময়ৰ বাবে পৰিয়ালৰ লোকৰ সৈতে টেলিফোনযোগে কথা পাতিবলৈ অনুমতি দিয়া হৈছিল। গ্ৰেপ্তাৰৰ এমাহৰ পিছত ৩ অক্টোবৰত প্ৰথমবাৰৰ বাবে কনছুলাৰ প্ৰৱেশৰ অনুমতি দিয়া হৈছিল। ডিচেম্বৰত দ্বিতীয়টো কনছুলাৰ প্ৰৱেশৰ অনুমতি দিয়া হৈছিল।

# ধৰ্ম-ৰাজনীতিক একাকাৰ কৰা বেপাৰী আজমল

বদৰুদ্দিন আজমলে নিৰ্দিষ্ট ধৰ্মৰ মানুহক লৈ ৰাজনীতি কৰে। সেয়া অসমৰ ধৰ্মনিৰপেক্ষ লোকসকলে বুজি উঠিছে। এটা কথা স্পষ্ট যে যিসকলে বিশেষ ধৰ্মকলৈ ৰাজনীতি কৰে তেওঁলোকেই সাম্প্ৰদায়িক নেতা।

■ নওৰোজ মিলাবি

**স্বাধীন ভাৰতৰ** ইতিহাস অধ্যয়ন তথা স্বাধীন ভাৰতৰ ৰাজনীতিৰ দিশসমূহ ফহিয়াই চালে দেখা যায় যে তাহানিৰ ৰাজনীতিৰ সৈতে জড়িত লোকসকল সৎ, নিকা, সহিষ্ণু, মিতব্যয়ী, দূৰদৰ্শী আৰু দুৰ্নীতি বিৰোধী লোক আছিল। দেশৰ সকলো লোকক লৈ আগবাঢ়িছিল তাহানিৰ ৰাজনীতিকসকলে। কোনো বিশেষ সম্প্ৰদায়ৰ বিৰুদ্ধে বিষ ৰোপন কৰি সাম্প্ৰদায়িক সংঘৰ্ষ লগাব খোজা নাছিল। সেয়েহে তেওঁলোকক আধুনিক ভাৰতৰ নিৰ্মাতা বুলি কোৱা হৈছিল। জাত-পাতক লৈ ৰাজনীতি কৰা নাছিল। তাহানিৰ সৎ ৰাজনীতিকসকলে দেশ নিৰ্মাণৰ সপোন দেখিছিল। সেই সপোনক সাকাৰো কৰিছিল। কৃষক, হালুৱা, বনুৱা, নিবনুৱা, সেনা, যুৱশক্তি আদিক লৈ দেশ নিৰ্মাণৰ সপোন দেখা ৰাজনীতিকসকল দেশৰ বাবে আদৰ্শ আছিল। সেইসকল লোকক দেখিলে মুৰ-দো খাইছিল।

আমি ভালদৰে পৰ্যালোচনা কৰিলে দেখা পাও যে ৯০ৰ দশককলৈ আমাৰ দেশত তেনে নেতা দুই এজন নথকা নহয়। দেশৰ মূল ভূখণ্ডৰ শান্তি, একতা, শৃংখলাৰক্ষা, বহিঃ শত্ৰুৰ পৰা দেশক ৰক্ষা কৰা, সেনা জোৱানৰ উদ্যম বৃদ্ধি কৰা, দেশৰ বাবে নিজক সমৰ্পণ কৰিব খোজাৰ মন আছিল তেওঁলোকৰ। তাহানিৰ নেতাসকল অতি সহিষ্ণু, বিভিন্ন জাতি-জনগোষ্ঠীৰ মাজত ভাতৃত্ববোধ সুদৃঢ় কৰিবলৈ কাম-কাজ কৰিছিল। তাহানিৰ নেতাসকলে ভোটৰ স্বাৰ্থত তথ্যৰ অপলাপ কৰা নাছিল। কোনো বিশেষ জাতি-জনগোষ্ঠীৰ বিৰুদ্ধে ঘৃণা বিয়পোৱা নাছিল। সমালোচনা কৰাৰ নামত ব্যক্তিগত দিশ সামৰি কাকো সমালোচনা কৰা নাছিল। ধৰ্মক ৰাজনীতিলৈ টানি অনা নাছিল। মন্দিৰ, মছজিদ, নামাজ, প্ৰাৰ্থনা, ভগৱানৰ নামত ভোট বিচৰা নাছিল। কিন্তু এতিয়া আৰু তাহানিৰ ৰাজনীতিকৰ মাজত আকাশ-পাতাল প্ৰাৰ্থক্য দেখা যায়। এতিয়াৰ প্ৰায় সংখ্যাক ৰাজনীতিকে ধৰ্মৰ নামত ৰাজনীতি কৰে। কেৱল ধৰ্মৰ নামতে নহয় জাত-পাত, মন্দিৰ, মছজিদৰ নামত ভোট লৈ এতিয়াৰ নেতাই শাসক হ'ব খোজে। অইন জনগোষ্ঠীৰ বিৰুদ্ধে বিভেদমূলক কথা কোৱা, সাম্প্ৰদায়িক মন্তব্য দিয়াই এতিয়াৰ ৰাজনীতিকৰ প্ৰধান কাম। পুৱা-গধুলি সাম্প্ৰদায়িক মন্তব্য দি এতিয়াৰ নেতাই সময় পাৰ কৰে। দেশত সাম্প্ৰদায়িক সংঘৰ্ষ সৃষ্টি হ'ব পৰা পৰিবেশ গঢ়ি তোলাৰ প্ৰয়াস কৰে। এইসকল নেতাৰ পৰা ৰাইজে বিশেষ আশা কৰিব নোৱাৰে। কিয়নো এতিয়াৰ নেতাই এটা এটা বিশেষ সম্প্ৰদায়ক লৈ ৰাজনীতি কৰে। এতিয়াৰ নেতাৰ মাজত বহল মন এটাৰ অভাৱ।

এতিয়াৰ নেতাই মুখেৰে অশ্লীল ভাষা কয়। অভব্য-অশ্ৰাব্য ভাষাৰে গালি-গালাজ কৰে। আনহে নালাগে, বদৰুদ্দিন আজমল নামৰ নেতাগৰাকীয়ে এটা নিৰ্দিষ্ট ধৰ্মৰ মানুহক লৈ ৰাজনীতি কৰে। সেয়া অসমৰ ধৰ্মনিৰপেক্ষ লোকসকলে বুজি উঠিছে। এটা কথা স্পষ্ট যে যিসকল লোকে এটা বিশেষ ধৰ্মৰ লোককলৈ ৰাজনীতি কৰে তেওঁলোকেই হৈছে সাম্প্ৰদায়িক নেতা। সেয়া লাগিলে ধৰ্মটো হিন্দুৱে হওক নতুবা ইছলামেই হওক। এনে ৰাজনীতি কৰাসকলৰ মাজৰ এজন আজমল। আজমল নামৰ লোকজনো এনে ৰাজনীতিৰ পৰা ব্যতিক্ৰম নহয়। আজমলেও ধৰ্ম আৰু নিৰ্দিষ্ট জনগোষ্ঠীৰ লোকক লৈ ৰাজনীতি কৰে। আজমলে বিভিন্ন সময়ত গৰীব-দৰিদ্ৰ ঘৰৰ লৰা ছোৱালীক শিক্ষা-দীক্ষা দিয়াত সহায় কৰাৰ উপৰিও শিক্ষানুষ্ঠান আদিও গঢ় দিছে। আজমলে দুৰ্গতক সহায় কৰে। কিন্তু ইমানবোৰ টকা-পইচা কৰ পৰা লাভ কৰে সেই বিষয়টো চৰ্চা হোৱাৰ দৰকাৰ আছে। কিন্তু আজমলে ধৰ্মৰ নামত নিকৃষ্ট পন্থা অৱলম্বন কৰি ভোট আদায় কৰে। সেই কথা অসমৰ লোকে জানে। পানীৰ বটলত ফু-দি ৰোগীক খাবলৈ দিয়া, ৰোগীক জৰা-ফুকা কৰা, অন্ধবিশ্বাস জনিত কাম-কাজত অটল থকা দেখা যায় আজমলক। ব্যৱসায়ৰ স্বাৰ্থত ৰাজনীতি কৰাৰো অভিযোগ আছে আজমলৰ বিৰুদ্ধে। কিন্তু এটা কথা কবই লাগিব যে এটা বিশেষ সম্প্ৰদায়ৰ একাংশ নিৰক্ষৰ, চৰকাৰৰ দৃষ্টিত নপৰা লোকৰ বাবে আজমল ভগৱান স্বৰূপ। সেইসকল লোকৰ ভোটেৰে আজমলে ৰাজনীতি কৰে। কিন্তু সেইসকল লোকৰ আজিলৈ উন্নতি হোৱা দেখা নাযায়।

যদি আমি ভালদৰে নিৰীক্ষণ কৰো তেন্তে দেখা পাও যে আজমল পৰিয়ালে ধৰ্ম আৰু ৰাজনীতিক একাকাৰ কৰি নিজৰ ব্যৱসায়-বাণিজ্য বৃদ্ধি কৰিছে বুলি ক'লেও ভুলকৈ কোৱা নহ'ব। এই অভিযোগ সঁচা। আজমলে পৰিচালিত কৰা দলটোক কেৱল নিজ পৰিয়ালৰ লোকৰ আধিপত্য থকা দেখা যায়। দলটোত অসমৰ এটা নিৰ্দিষ্ট জনগোষ্ঠীৰ বাহিৰে অইন ধৰ্ম বা জনগোষ্ঠীৰ লোকে অংশ গ্ৰহণ পৰিলক্ষিত নহয়। আজমলৰ দলৰ ইতিহাস চালে দেখা যায় যে এটা পৰিয়ালকেন্দ্ৰীক দল চলোৱাৰ লগতে উক্ত পৰিয়ালটোৰ লোকক সাংসদ-বিধায়ক বনোৱাই মূল উদ্দেশ্যে। তাৰ মাজতে আজমলে হিন্দুৰ বিৰুদ্ধে কৈ অহা কথাবোৰে আন এটা দলক সহায় কৰে। এই কথা সূৰ্য্যৰ পোহৰৰ স্পষ্ট। সাংবাদিকৰ মাইক দলিয়াই নিজৰ চৰিত্ৰ উদঙাই দিয়ে। ভাৰতৰ এটা বিশেষ ৰাজনীতিকৰ দলৰ দৰেই আজমলে সাম্প্ৰদায়িক ৰাজনীতি কৰে। এতিয়া আমাৰ মনত প্ৰশ্ন উদয় হয়! আজমলে প্ৰতিপত্তিশীল লোক হোৱাৰ পিছতো যিটো জনগোষ্ঠীৰ ভোট লৈ সৰ্বভাৰতীয় পৰ্যায়ত নেতা হৈছে সেই জনগোষ্ঠীৰ লোকসকল আজিও এশ শতাংশই পিছ পৰি ৰৈছে কিয়? নিৰ্দিষ্ট জনগোষ্ঠীটো সৰ্বপ্ৰকাৰে কিয় পিছ পৰি ৰ'ল সেই কথাৰো ইতিহাসক উত্তৰ দিব লাগিব আজমলে। শেষত কথা এটাই। ধৰ্মৰ নামত ৰাজনীতি কৰা আজমলৰ মুখেৰে ওলোৱা প্ৰতিটো বিতৰ্কিত কথাই অসমত ভোটৰ মেৰুবিভাজন কৰে সেই কথা এশ শতাংশই সত্য।

■ সম্পাদকীয় ■

বৃহস্পতিবাৰ,
২৮ ডিচেম্বৰ, ২০২৩।।
নিশা ১০ বজা

## আলফাৰ চুক্তিৰ কি হ'ব?

সাৰ্বভৌম অসমৰ প্ৰস্তাৱ পৰিহাৰ কৰি ভাৰত চৰকাৰৰ সেনা বাহিনীৰ ওচৰত আত্মসমৰ্পণ কৰি দীৰ্ঘদিন ধৰি চৰকাৰী পৃষ্ঠপোষকতাত জীৱন কটোৱা অৰবিন্দ ৰাজখোৱা, অনুপ চেতিয়াৰ দৰে নেতা এতিয়া চৰকাৰৰ চাবি দিয়া পুতলা। এইসকল নেতাক চৰকাৰে উঠ বুলিলে উঠিব লাগিব। বহ বুলিলে বহিব লাগিব। তেওঁলোকে যিমানে চুক্তি নকৰক লাগে সেয়া তেওঁলোকে বিচৰা মতে নহয়। চৰকাৰৰ মতেহে হ'ব। দুশ ৫০ লাখ কোটি ঋণৰ বোজা লৈ থকা কেন্দ্ৰীয় চৰকাৰে অসমৰ উন্নয়নৰ বাবে কোনো নতুন সাংঘাটিক পেকেজ দিব নোৱাৰে। অসম চৰকাৰো ডেৰ লাখ কোটি ধাৰৰ বোজা মূৰত লৈ আছে। কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ ৰাজভঁৰালৰ তলী এতিয়া উদং। এনে পৰিস্থিতিত অসমৰ বাবে নতুন উন্নয়নমূলক প্ৰস্তাৱ এক টোপৰ বাহিৰে একো নহ'ব। দ্বিতীয়তে আলফাৰ আলোচনাপন্থী গোটে অসমৰ খিলঞ্জীয়া জাতি জনগোষ্ঠীৰ সুৰক্ষাৰ বাবে এশ শতাংশই ৰাজনৈতিক অধিকাৰ দাবী কৰিছে। কেন্দ্ৰীয় চৰকাৰে উত্তৰ দি কৈছে যে সমষ্টি পুনৰ নিৰ্ধাৰণ কৰি অসমৰ প্ৰায় ৯০টা সমষ্টি খিলঞ্জীয়াৰ হাতলৈ নিয়া হৈছে। খিলঞ্জীয়াৰ হাতলৈ নে সাম্প্ৰদায়িক ৰাজনীতিৰ বাবে হিন্দু-মুছলমান কৰি গৈছে সেই কথা কাৰো বুজিবলৈ অসুবিধা হোৱা নাই। চৰকাৰে এতিয়া আছুৰ দৰে সংগঠনক ধামাধৰা সংগঠনলৈ পৰ্যবসিত কৰিছে। সমষ্টি পুনৰ নিৰ্ধাৰণৰ চৰকাৰী হিচাপ নিকাচত ইতিমধ্যে আছুৰ স্বয়ম্ভু ভীস্মৰ দ্বাৰা ছীল মোহৰ মাৰি লৈছে। এইবাৰ স্বাধীনতাৰ দাবীত দীৰ্ঘদিন ধৰি মানুহৰ তেজৰ ফাকু খেলা আলফাৰ আলোচনাপন্থী নেতৃত্বই সমষ্টি পুনৰ নিৰ্ধাৰণৰ চৰকাৰী ষড়যন্ত্ৰক স্বীকৃতি প্ৰদান কৰিব বিচৰাছে নেকি? এই জালত অৰবিন্দ ৰাজখোৱা, অনুপ চেতিয়াই ভৰি দিয়ে নে নিদিয়ে ২৯ ডিচেম্বৰ পাছত গম পোৱা যাব। কিন্তু চুক্তি যিমানে নকৰক কিয়? আলফা স্বাধীনৰ নেতা পৰেশ বৰুৱা যদি শান্তি আলোচনাত নবহে তেতিয়াহঁলে সকলো হ'ব ফুটুকাৰ ফেন।



## চৰকাৰ গঠনৰ পিছতেই জাতি ভিত্তিত লোকপিয়লৰ ঘোষণা

# প্ৰতিষ্ঠা দিৱসত আৰএছএছৰ বৰঘৰ নাগপুৰত কংগ্ৰেছৰ ৰণডংকা

**নাগপুৰ, ২৮ ডিচেম্বৰঃ** দেশৰ সবাতোকৈ পুৰণি দল ভাৰতীয় জাতীয় কংগ্ৰেছে আজি ১৩৯ সংখ্যক প্ৰতিষ্ঠা দিৱস উদযাপন কৰে৷ আজি সমগ্ৰ দেশৰ বিভিন্ন ৰাজ্যৰ ৰাজধানী, জিলা সদৰ, মহকুমা সদৰকে ধৰি বিভিন্ন কাৰ্যালয়ত ভাৰতীয় জাতীয় কংগ্ৰেছৰ নেতা-কৰ্মীয়ে প্ৰতিষ্ঠা দিৱস পালন কৰে৷ ইপিনে নতুন দিল্লীস্থিত সৰ্বভাৰতীয় কংগ্ৰেছ কমিটিৰ মুখ্য কাৰ্যালয়ত দলৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গেয়ে দলৰ পতাকা উত্তোলন কৰে। পতাকা উত্তোলন কৰি কংগ্ৰেছৰ নেতা-কৰ্মীক উদ্দেশ্যে প্ৰদান কৰা ভাষণত মল্লিকাৰ্জুন খাৰ্গেয়ে কংগ্ৰেছৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে প্ৰতিজন ভাৰতীয়ক আন্তৰিক শুভেচ্ছা জনায়। কংগ্ৰেছ দলে কেতিয়াও মতাদৰ্শৰ পৰা আঁতৰি নাযায় আৰু মতাদৰ্শৰ সৈতে আগবাঢ়িব বুলিও কয় খাৰ্গেই৷ ইফালে, প্ৰতিষ্ঠা দিৱসৰ দিনটোতে আৰআৰএছৰ বৰঘৰ মহাৰাষ্ট্ৰৰ নাগপুৰত কংগ্ৰেছে বিশাল সমাৰেশ অনুষ্ঠিত কৰে৷ নাগপুৰৰ সমাৰেশৰ পৰাই কংগ্ৰেছে লোকসভা নিৰ্বাচনৰ বাবে প্ৰচাৰ আৰম্ভ কৰি ৰণডংকা বজায়৷ কংগ্ৰেছে অহা বছৰৰ লোকসভা নিৰ্বাচনৰ পূৰ্বে ‘হ্যেই ৰেডি হাম’ শীৰ্ষক এক প্ৰচাৰ অভিযানো আৰম্ভ কৰে। নাগপুৰৰ সভাত ভাষণ প্ৰদান কৰি কংগ্ৰেছ সভাপতি মল্লিকাৰ্জুন খাৰ্গেই কয় যে দলটোৱে সদায় সংসদীয় গণতন্ত্ৰ আৰু সমতাৰ ওপৰত আধাৰিত এখন ভাৰত গঢ়ি তোলাৰ দিশত কাম কৰি আহিছে। কংগ্ৰেছে সংসদীয় গণতন্ত্ৰৰ ওপৰত আধাৰিত এখন ভাৰতত বিশ্বাস কৰে৷ য'ত বৈষম্যহীনভাৱে সকলোৰে বাবে সমতা আৰু সুযোগ থাকে৷ য’ত আমাৰ সংবিধানত হস্তান্তৰিত ৰাজনৈতিক, অৰ্থনৈতিক আৰু সামাজিক অধিকাৰসমূহ বজাই ৰখা হয়। আমি গৌৰৱান্বিত যে যোৱা ১৩৮ বছৰ ধৰি আমি সম্পূৰ্ণ সততাৰে এনে ভাৰতৰ বাবে যুঁজ দি আহিছো। কংগ্ৰেছ সভাপতি মল্লিকাৰ্জুন খাৰ্গেয়ে ইণ্ডিয়া মিত্ৰজোঁটৰ কথা উল্লেখ কৰি কয় যে যদি ‘ইণ্ডিয়া’ মিত্ৰজোঁট ঐক্যবদ্ধ হৈ থাকে, তেন্তে বিজেপিক ক’তো দেখা পোৱা নাযাব। খাৰ্গেই গণতন্ত্ৰ আৰু দেশক বচাবলৈ ‘ইণ্ডিয়া’ মিত্ৰজোঁটক সমৰ্থন কৰিবলৈ দেশৰ জনসাধাৰণক আহ্বান জনায়। আনহাতে, কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে নাগপুৰৰ বিশাল সমাৰেশত উদাত্ত কণ্ঠে ভাষণ প্ৰদান কৰি কংগ্ৰেছ কেন্দ্ৰত শাসনলৈ অহাৰ পাছতেই জাতি-ভিত্তিক লোকপিয়ল অনুষ্ঠিত কৰাৰ কথা ঘোষণা কৰে। বিশাল সমাৰেশত ৰাহুল গান্ধীয়ে কয় যে যোৱা ৪০ বছৰত দেশত নিবনুৱাৰ সংখ্যা সৰ্বোচ্চ হৈছে। দেশত দুটা মতাদৰ্শৰ মাজত সংঘাত হৈছে। বিজেপিত একনায়কত্ববাদ আছে বাবেই তাত সাধাৰণ কৰ্মী বাদেই মন্ত্ৰীয়েও মোদী-শ্বাহক প্ৰশ্ন কৰিব নোৱাৰে, কিন্তু এজন কনিষ্ঠ কংগ্ৰেছ কৰ্মীয়ে দলৰ শীৰ্ষ নেতাক প্ৰশ্ন কৰিব পাৰে বুলিও তেওঁ কয়৷ বিজেপিয়ে কংগ্ৰেছত একতা নাই বুলি কৰি অহা সমালোচনাকো প্ৰত্যুত্তৰ দি জ্যেষ্ঠ নেতাৰ মতত কেতিয়াবা কনিষ্ঠ নেতাই অসন্মত হ'ব পাৰে বুলিও কয় গান্ধীয়ে৷ এই সমাৰেশত কংগ্ৰেছ সভাপতি মল্লিকাৰ্জুন খাৰ্গে, ৰাহুল গান্ধী আৰু মহাৰাষ্ট্ৰৰ কেইবাজনো শীৰ্ষ নেতা উপস্থিত থাকে৷




ফটোঃ মাজুলীত ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ সৰসংঘচালক মোহন ভাগৱত, ২৭ ডিচেম্বৰৰ নিশাৰ দৃশ্য

# মাজুলীত মোহন ভাগৱতক 'নমস্কাৰ' আইপিএছ আনন্দ মিশ্ৰৰ

## গেৰুৱা বসন পিন্ধিব নেকি আইপিএছ মিশ্ৰই?

**ই-সংবাদ, মাজুলী, ২৮ ডিচেম্বৰঃ** আৰক্ষীৰ চাকৰি এৰিবলৈ পদত্যাগ পত্ৰ দাখিল কৰা লখিমপুৰৰ আৰক্ষী অধীক্ষক তথা আইপিএছ আনন্দ মিশ্ৰই গেৰুৱা বসন পিন্ধি নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিবলৈ সাজু হৈছে নেকি? এই প্ৰশ্ন বিগত কেইবাটাও দিনত উত্থাপন হৈ আহিছে৷ এই প্ৰশ্নক নতুন মাত্ৰা প্ৰদান কৰি ২৭ ডিচেম্বৰৰ নিশা হিন্দুত্ববাদী নেতা মোহন ভাগৱতে ২৭ ডিচেম্বৰৰ সন্ধিয়া মাজুলীত উপস্থিত হোৱাৰ পাছতে চৰকাৰী কনভয় লৈ ততাতৈয়াকৈ মাজুলীত উপস্থিত হয় আৰক্ষী অধীক্ষক আনন্দ মিশ্ৰ৷ মোহন ভাগৱতক সাক্ষাৎ কৰি আশীৰ্বাদ লয় আনন্দ মিশ্ৰই৷ উত্তৰ কমলাবাৰী সত্ৰত মোহন ভাগৱতক সাক্ষাৎ কৰি সাংবাদিকেৰেও মুখামুখি হয় আনন্দ মিশ্ৰ। আনন্দ মিশ্ৰই মোহন ভাগৱতক কেৱল নমস্কাৰ জনাবলৈ অহা বুলি উল্লেখ কৰে৷ সাংবাদিকৰ কেমেৰাৰ সন্মুখত আনন্দ মিশ্ৰই কয় 'ডাঙৰ মানুহ সন্মুখত দেখিলে নমস্কাৰ দিওঁ, সিমানেই, আন একো নাই। লগ ধৰা হোৱা নাই। সাক্ষাৎ কৰিলে কথা হয়, মাত্ৰ নমস্কাৰ কৰিছো।' ভাৰতীয় আৰক্ষী সেৱাৰ বিষয়া আনন্দ মিশ্ৰই বিগত ১৮ ডিচেম্বৰত চাকৰিৰ পৰা অব্যাহতি বিচাৰি পদত্যাগ পত্ৰ প্ৰদান কৰিছে। লখিমপুৰ জিলাৰ আৰক্ষী অধীক্ষকৰ দায়িত্বত থকা আনন্দ মিশ্ৰই ১৮ ডিচেম্বৰতে এক পত্ৰ জৰিয়তে পদত্যাগৰ কথা অৱগত কৰিছে ৰাজ্যৰ মুখ্য সচিব পৱন কুমাৰ বৰঠাকুৰ আৰু আৰক্ষী সঞ্চালক প্ৰধান জি.পি সঙক। মিশ্ৰই পত্ৰখনত স্বাধীন জীৱন কটাই, স্বাধীনভাৱে বিভিন্ন সামাজিক আৰু আন আন কাম-কাজ কৰি যোৱাৰ আগ্ৰহেৰে এই সিদ্ধান্ত গ্ৰহণ কৰা বুলি উল্লেখ কৰিছে যদিও গেৰুৱা বসন পিন্ধি গৃহ জিলা বিহাৰৰ এটা সমষ্টিত লোকসভা নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিব বুলি গুজৱ চলিছে৷ উল্লেখ্য যে নদীদ্বীপ মাজুলী ভ্ৰমণলৈ আহিছে ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ সৰসংঘচালক মোহন ভাগৱত৷

## লেফটেনেণ্ট জেনেৰেল আৰ.পি. কলিতাৰ বিশেষ মন্তব্য

# "ম্যানমাৰৰ পৰা নাগৰিকৰ আগমন মণিপুৰৰ বাবে প্ৰত্যাহ্বান"

**ষ্টাফ ৰিপ'ৰ্টাৰ, ২৮ ডিচেম্বৰঃ** ইষ্টাৰ্ণ আৰ্মি কমাণ্ডাৰ লেফটেনেণ্ট জেনেৰেল আৰ.পি কলিতাই আজি মণিপুৰ হিংসাক লৈ তাৎপৰ্যপূৰ্ণ মন্তব্য প্ৰদান কৰিছে৷ মণিপুৰত বিদ্ৰোহী গোটসমূহৰ মাজত বৃহৎ সংখ্যক অস্ত্ৰৰ উপলব্ধতা আৰু ম্যানমাৰৰ ৰাজনৈতিক অস্থিৰতাক লৈ মন্তব্য প্ৰদান কৰিছে৷ ম্যানমাৰৰ ৰাজনৈতিক অস্থিৰতাৰ ফলত চুবুৰীয়া দেশ ম্যানমাৰৰ পৰা মণিপুৰলৈ নাগৰিকৰ আগমন ঘটিছে বুলি তাৎপৰ্যপূৰ্ণ মন্তব্য প্ৰদান কৰে৷ যাৰ ফলত সংঘৰ্ষগ্ৰস্ত উত্তৰ-পূৰৰ ৰাজ্য মণিপুৰত শান্তি উভতাই অনাত মুখ্য প্ৰত্যাহ্বান হৈ পৰিছে বুলি কয় কলিতাই৷ কলিতাই আৰু কয় যে মণিপুৰৰ হিংসাত লিপ্ত কুকি আৰু মেইটেই সম্প্ৰদায়ৰ গোটসমূহৰ সৈতে আগ্নেয়াস্ত্ৰৰ উপলব্ধতা সমাপ্ত নোহোৱালৈকে যিকোনো সময়তে পৰিস্থিতি জ্বলন্ত হ'ব পাৰে। আজি সংবাদ মাধ্যমৰ সৈতে বাৰ্তালাপ কৰি মণিপুৰ আৰক্ষীৰ অস্ত্ৰাগাৰৰ পৰা চুৰি হোৱা আৰু দুয়ো সম্প্ৰদায়ৰ গোটসমূহে ম্যানমাৰৰ পৰা আমদানীকৃত অস্ত্ৰ-শস্ত্ৰই এক প্ৰত্যাহ্বানৰ সৃষ্টি কৰি আহিছে। সশস্ত্ৰ বাহিনীৰ কৰ্তব্য হৈছে হিংসাত্মক কাৰ্য ৰোধ কৰা। মণিপুৰত এই কৰ্তব্য সফলতাৰে ৰূপায়ণ কৰা হৈছে বুলিও দাবী কৰে কলিতাই৷ অহা ৩১ ডিচেম্বৰত অৱসৰ গ্ৰহণ কৰিবলগীয়া ইষ্টাৰ্ণ অসমৰ সেনা বিষয়া আৰ.পি কলিতাই৷

দেশ-বিদেশ

# আমেৰিকাত ভয়ংকৰ পথ দুৰ্ঘটনাত ৫ ভাৰতীয়ৰ মৃত্যু

## ভুল দিশৰ পৰা অহা পিকআপ ভানৰ খুন্দা

**নিউয়ৰ্ক, ২৮ ডিচেম্বৰঃ** আমেৰিকা যুক্তৰাষ্ট্ৰৰ টেক্সাছত সংঘটিত এক ভয়াৱহ পথ দুৰ্ঘটনাত ৫ জনকৈ লোকে প্ৰাণ হেৰুওৱাৰ ঘটনাই অন্ধ্ৰপ্ৰদেশত শোকৰ ছাঁ পেলাইছে৷ অন্ধ্ৰ প্ৰদেশৰ মুন্মিদিভাৰাম সমষ্টিৰ আছিল এই ৫ জন দুৰ্ভগীয়া লোক৷ এই দুৰ্ঘটনা সংঘটিত হৈছিল ২৬ ডিচেম্বৰত৷ অন্ধ্ৰ প্ৰদেশৰ মুন্মিদিভাৰাম সমষ্টিৰ পৰা টেক্সাছত বসবাস কৰা আত্মীয়ৰ ঘৰলৈ লোক কেইজনে৷ আত্মীয়ৰ ঘৰৰ পৰা ৬ জন লোকে পুৱাই চিৰিয়াখানা চাবলৈ গাড়ীৰে গৈছিল। ঘৰলৈ উভতি অহাৰ পথত বাহনখনত এখন পিকআপ ট্ৰাকে খুন্দা মাৰে। পিকআপখনে ভুল দিশেৰে আহি খুন্দা মৰাৰ অভিযোগ উঠিছে৷ পথ দুৰ্ঘটনাত মাত্ৰ লোকেশ নামৰ এজন লোকৰ প্ৰাণ ৰক্ষা পৰে৷ মৃত ৫জন লোক অন্ধ্ৰ প্ৰদেশৰ ৱাই.এছ.আৰ কংগ্ৰেছৰ বিধায়ক পোন্নাডা ভেংকটা সতীশ কুমাৰৰ আত্মীয় আছিল৷ নিহতসকলৰ এজনক বিধায়কজনৰ খুৰাক পি নাগেশ্বৰ ৰাও আৰু বাকীকেইজনক সীতা মহালক্ষ্মী, নবীনা, কৃতিক, নিশিতা বুলি চিনাক্ত কৰা হৈছে। আমেৰিকা যুক্তৰাষ্ট্ৰৰ সংবাদ মাধ্যমৰ খবৰ অনুসৰি আহতসকলক বিমানেৰে চিকিৎসালয়লৈ লৈ যোৱা হৈছিল। বিধায়ক সতীশ কুমাৰে সংবাদ মাধ্যমৰ আগত কয় ‘মোৰ খুৰাই ২৬ ডিচেম্বৰত এজন আত্মীয়ৰ ঘৰত খ্ৰীষ্টমাছ উদযাপন কৰিছিল। পুৱা চিৰিয়াখানালৈ গৈ আবেলি ৪ বজাত উভতি আহিছিল। তেনে সময়তে গাড়ীখনত এখন ট্ৰাকে খুন্দা মাৰে। আমি মৃতদেহবোৰ ঘূৰাই আনিবলৈ চেষ্টা কৰিছো৷ যিহেতু এজন লোক এতিয়াও চিকিৎসাধীন হৈ আছে। এই কাৰণে অনুমতিৰ প্ৰয়োজন হ’ব। নিহতসকলৰ ভিতৰত দুজন জন্মগতভাৱে আমেৰিকান নাগৰিক৷ যাৰ বাবে তাৰ চৰকাৰৰ অনুমতিৰো প্ৰয়োজন হ’ব বুলি কয় বিধায়ক সতীশ কুমাৰে৷

স্থানীয় সংবাদ

# ডাঃ ধ্ৰুৱজ্যোতি বৰালৈ প্ৰকাশন পৰিষদৰ সাহিত্য বঁটা

**ই-সংবাদ, গুৱাহাটী, ২৮ ডিচেম্বৰঃ** এইবছৰৰ ‘অসম প্ৰকাশন পৰিষদ সাহিত্য বঁটা’ প্ৰদান কৰা হ’ব সাহিত্যিক ডাঃ ধ্ৰুৱজ্যোতি বৰাক৷ অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা বিশিষ্ট সাহিত্যিক ডাঃ ধ্ৰুৱজ্যোতি বৰাক ‘অসম প্ৰকাশন পৰিষদ সাহিত্য বঁটা’ প্ৰদানৰ ঘোষণা কৰিছে পৰিষদৰ সচিব প্ৰমোদ কলিতাই৷ ডাঃ ধ্ৰুৱজ্যোতি বৰা সাহিত্য সৃষ্টিৰ লগতে এগৰাকী বিশিষ্ট প্ৰকাশক৷ শুকুৰবাৰৰ পৰা চানমাৰিস্থিত অসম অভিযান্ত্ৰিক প্ৰতিষ্ঠান খেলপথাৰত অসম প্ৰকাশন পৰিষদ আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সন্থাৰ উদ্যোগত অনুষ্ঠিত হ’বলগীয়া অসম গ্ৰন্থমেলা এই বঁটা প্ৰদান কৰা হ’ব৷ উল্লেখ্য যে, ডাঃ ধ্ৰুৱজ্যোতি বৰা অসমৰ এগৰাকী ঔপন্যাসিক, প্ৰবন্ধকাৰ, আলোচনী সম্পাদক আৰু পেছাগতভাৱে চিকিৎসক। তিনি দশক ধৰি সাহিত্যৰ সাধনা কৰি অহা বৰাক ২০১৪ চনৰ ১৬ নৱেম্বৰত দেৰগাঁৱত অনুষ্ঠিত সাহিত্য সভাৰ অধিৱেশনত সভাপতি নিৰ্বাচিত কৰা হয়।

বিশেষ খবৰ

# এছপিৰ নামত ৫ লাখ বিচাৰি ৰঙাঘৰৰ আলহী হ’ল তুলাৰাম, ৰফিকুল শ্বেখ

**ই-সংবাদ, কলিয়াবৰ, ২৮ ডিচেম্বৰঃ** ইয়াকে কয় বাঘৰ নেগুৰেৰে কাণ খজুওৱা৷ সহজে ধনী হোৱাৰ হোৱাৰ লালসাত আৰক্ষী অধীক্ষকৰ নামত ধন দাবী কৰিছিল দুই যুৱকে৷ কিন্তু দিন বেয়া চলিছিল দুই প্ৰৱঞ্চকৰ৷ আৰক্ষীৰ অধীক্ষকৰ নামত ৫ লাখ দাবী কৰি ৰঙা ঘৰৰ আলহী হ’বলগীয়া হয় দুই প্ৰৱঞ্চক৷ নগাঁও জিলাৰ আৰক্ষী অধীক্ষক নৱনীত মহন্তৰ নামত ৫ লাখ টকা দাবী কৰি আৰক্ষীৰ জালত পৰিছে তুলাৰাম শৰ্মা আৰু ৰফিকুল শ্বেখ নামৰ দুই প্ৰৱঞ্চক৷ জানিব পৰা মতে, অৰুণাচলৰ চোৰাং কাঠ অবৈধভাৱে অসমলৈ সৰবৰাহ কৰাৰ দায়িত্ব লৈছিল জখলাবন্ধাৰ গৰুবন্ধাৰ তুলাৰাম শৰ্মা আৰু ৰফিকুল শ্বেখে৷ বিনিয়মত এগৰাকী কাঠ ব্যৱসায়ীৰ পৰা দাবী কৰিছিল ৫ লাখ টকা৷ আৰক্ষী অধীক্ষকৰ নাম লৈ ৫ লাখ টকা দাবী কৰাৰ এটা কল ৰেকৰ্ডিং সামাজিক মাধ্যমত ভাইৰেল হৈছিল৷ তাৰ পাছতে নগাঁও আৰক্ষীয়ে বিষয়টো গুৰুত্বসহকাৰে লৈ তদন্ত আৰম্ভ কৰে। জখলাবন্ধাৰ গৰুবন্ধাৰ পৰা তুলাৰাম আৰু ৰফিকুলক নগাঁও আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়৷ তুলাৰাম আৰু ৰফিকুলে এনেদৰে আন কোনো লোকক প্ৰৱঞ্চনা কৰিছিল নেকি সেয়াও তদন্ত কৰিব নগাঁও আৰক্ষীয়ে৷

শেষ পৃষ্ঠা

“ধৰ্মীয় আৱেগত আঘাত হনাৰ অভিযোগ তুলি সঞ্জয় তিৱাৰী নামৰ এজন লোকে অভিনেতাজনৰ বিৰুদ্ধে দাখিল কৰিছে এজাহাৰ।”

# বৰদিন উদযাপন কৰি বিপদত অভিনেতা ৰণবীৰ

**মুম্বাই, ২৮ ডিচেম্বৰঃ** খ্ৰীষ্টমাছ উদযাপন কৰি নিজলৈ বিপদ মাতি আনিলে অভিনেতা ৰণবীৰ কাপুৰে। খ্ৰীষ্টমাছৰ সময়ত ধৰ্মীয় আৱেগত আঘাত হনাৰ অভিযোগত ইতিমধ্যে বলিউডৰ তাৰকা অভিনেতাগৰাকীৰ বিৰুদ্ধে এখন থানাত দাখিল কৰা হয় এজাহাৰ। এটা ভাইৰেল ভিডিঅ’ৰ পিছতে ৰণবীৰ কাপুৰৰ বিৰুদ্ধে ধৰ্মীয় আবেগত আঘাত হনাৰ অভিযোগ উত্থাপন হয়। অৱশ্যে এতিয়াও এই এজাহাৰৰ ওপৰত গোচৰ ৰুজু কৰা নাই আৰক্ষীয়ে। বাতৰি অনুসৰি, সঞ্জয় তিৱাৰী নামৰ এজন ব্যক্তিয়ে অভিনেতাগৰাকীৰ বিৰুদ্ধে দাখিল কৰে ধৰ্মীয় আবেগত আঘাত হনাৰ অভিযোগ সম্পৰ্কীয় এজাহাৰ। অভিযোগকাৰীয়ে অধিবক্তা আশীষ ৰায় আৰু পংকজ মিশ্ৰৰ জৰিয়তে ঘাটকোপাৰ থানাত দাখিল কৰা এজাহাৰত দাবী কৰিছে যে ভিডিঅ’টোত অভিনেতাজনে ‘জয় মাতা দি’ বুলি কৈ কেকটোত সুৰা ঢালি অগ্নিসংযোগ কৰা দেখা গৈছে। অভিযোগকাৰীয়ে দাবী কৰে যে অভিনেতাগৰাকীয়ে এনে আচৰণৰ জৰিয়তে ধৰ্মীয় আবেগত আঘাত হানিছে।





# এজোপা ওকৰ প্ৰেমত হাবু-ডুবু খাইছে কানাডাৰ সুন্দৰী ছেমিঅ’নোভাই

অনলাইন ফিচাৰ্ছ, ২৮ ডিচেম্বৰঃ ওক গছৰ প্ৰেমত পৰিছে এগৰাকী মহিলা। এই প্ৰেম কেৱল মনৰ নহয়, মহিলাগৰাকীৰ দাবী- তেওঁ ওক গছৰ প্ৰতি অনুভৱ কৰে শাৰীৰিক আকৰ্ষণ। শেহতীয়াকৈ কানাডাৰ ব্ৰিটিছ কলম্বিয়াৰ ভেংকুৱাৰ দ্বীপৰ এগৰাকী ইক’চেক্সুৱেল মহিলাৰ এই দাবীয়ে এতিয়া সামাজিক মাধ্যমত লাভ কৰিছে তীব্ৰ চৰ্চা। অদ্ভুত দাবীৰে নেটিজেনক আচম্বিত কৰি তোলা মহিলাগৰাকীৰ নাম হৈছে ছ’ঞ্জা ছেমিঅ’নোভা।এই মহিলাগৰাকীয়ে দাবী কৰা মতে, যেতিয়া তেওঁ ওক গছৰ ওজৰে পাজৰে থাকে, তেতিয়া গছবোৰে তেওঁক কেৱল আত্মবিশ্বাসেই প্ৰদান নকৰে, বৰং গছবোৰো তেওঁক শাৰীৰিকভাৱেও আকৰ্ষিত কৰে। নিজকে ইক’চেক্সুৱেল বুলি পৰিচয় দিয়া ছ'ঞ্জা ছেমিঅ'নোভাই নিজৰ এই অভিজ্ঞতাৰ বিষয়ে নিজৰ ছ’চিয়েল মিডিয়া প্ৰফাইলযোগে শ্বেয়াৰ কৰাৰ পিছতে নেটিজেনে বিভিন্ন ধৰণে প্ৰতিক্ৰিয়া প্ৰকাশ কৰিবলৈ আৰম্ভ কৰে। উল্লেখ্য যে, ইক’চেক্সুৱেল হৈছে সেইসকল লোক, যিয়ে প্ৰকৃতিৰ মাজত প্ৰেম আৰু কামনা বিচাৰি পায়। তেওঁলোকে পৃথিৱীখনকে নিজৰ প্ৰেমিক হিচাপে কল্পনা কৰে। ছ'ঞ্জা চেমিঅ'নোভাইও প্ৰকৃতিৰ মাজতে তেনে এক প্ৰেম বিচাৰি পোৱা বুলি দাবী কৰে। তেওঁ কয় যে তেওঁ যেতিয়া এজোপা বিশাল ওক গছৰ কাষৰ বাটেৰে সপ্তাহৰ ৫ দিন খোজ কাঢ়িবলৈ গৈছিল, তেতিয়া বাৰে বাৰে ওক গছৰ প্ৰতি এক আকৰ্ষণ অনুভৱ কৰিছিল। তেওঁ কয়, ''মোৰ এনে অনুভৱ হৈছিল যেন মই কোনো সংগীৰ সতেহে ৰোমাণ্টিক সময় পাৰ কৰিছো আৰু তেওঁৰ প্ৰতি শাৰীৰিক আকৰ্ষণ অনুভৱ কৰিছো।’’